ভাৰত চৰকাৰ
বিধি, ন্যায় আৰু কোম্পানী কাৰ্য্য মন্ত্ৰালয়

# বিবিধ স্বকীয় বিধি (বিস্তাৰ) অধিনিয়ম, ১৯৫৯

( ১৯৫৯ চনৰ ৪৮ নং অধিনিয়ম )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান ]

# The Miscellaneous Personal Laws (Extension) Act, 1959

( Act No. 48 of 1959 )

[ As on the 25th November, 1992 ]

ভাৰত চৰকাৰৰ হকে, অসম চৰকাৰ ( বিধান বিভাগ ) ৰ দ্বাৰা প্ৰকাশিত আৰু
অসম চৰকাৰী ছপাশালত মুদ্ৰিত, গুৱাহাটী - ২১

# পাতনি

২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথাবিদ্যমান বিবিধ স্বকীয় বিধি (বিস্তাৰ) অধিনিয়ম, ১৯৫৯ (১৯৫৯ চনৰ ৪৮ নং)ৰ এই সংস্কৰণত এই অধিনিয়মৰ অসমীয়াত প্ৰাধিকৃত পাঠ আছে যি ১৯।৪।১৯৯৩ তাৰিখৰ ভাৰতৰ ৰাজপত্ৰ, অসাধাৰণ, ভাগ-৬, অনু ভাগ ১, নং ১, খণ্ড ২, পৃষ্ঠা ৮৩ - ৮৭ ত প্ৰকাশিত হৈছিল।

প্ৰাধিকৃত পাঠ (কেন্দ্ৰীয় বিধি) অধিনিয়ম, ১৯৭৩ৰ ধাৰা ২ৰ খণ্ড (ক)ৰ অধীনত ৰাষ্ট্ৰপতিৰ প্ৰাধিকাৰাধীনে এই প্ৰাধিকৃত পাঠ প্ৰকাশ কৰা হৈছিল আৰু এনেদৰে প্ৰকাশ হোৱাত ই অসমীয়াত এই অধিনিয়মৰ প্ৰাধিকৃত পাঠ ৰূপে গণ্য হ'ব।

# PREFACE

This edition of The Miscellaneous Personal Laws (Extension) Act, 1959 (48 of 1959) as on the 25th November, 1992 contains the authoritative text of that Act in Assamese which was published in the Gazette of India, Extraordinary, part VI, Section 1, No. 1, Vol. 2, dated 19th April, 1993, on page 83 - 87.

This authoritative text was published under the authority of the President under section 2, clause (a) of the Authoritative text (Central Laws) Act, 1973 and on such publication it became the authoritative text of that Act in Assamese.

New Delhi

Date :- 10.5.1993

P. Pramila Reddy,
Additional Legislative Counsel.

# বিবিধ স্বকীয় বিধি ( বিস্তাৰ ) অধিনিয়ম, ১৯৫৯

## ধাৰাসমূহৰ ক্ৰম

ধাৰাসমূহ ঃ-


১। সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভ ।

২। পৰিভাষা ।

৩। কেতবোৰ নিৰ্দ্দিষ্ট অধিনিয়মৰ বিস্তাৰ আৰু সংশোধন ।

৪। নিৰসন আৰু ব্যাবৃত্তি ।

# বিবিধ স্বকীয় বিধি ( বিস্তাৰ ) অধিনিয়ম, ১৯৫৯

( ১৯৫৯ ৰ ৪৮ নং )

[ ২৫ নবেম্বৰ, ১৯৯২ তাৰিখে যথা বিদ্যমান ]

[ ৪ ডিচেম্বৰ, ১৯৫৯ ]

কিছুমান স্বকীয় বিধিক সেইবোৰ বৰ্ত্তমান বলবৎ নথকা ভাৰতৰ অংশত বিস্তাৰৰ বাবে ব্যৱস্থা কৰণাৰ্থে এখনি অধিনিয়ম।

ভাৰত গণৰাজ্যৰ দশম বছৰত সংসদৰ দ্বাৰা নিম্ন লিখিত ধৰণে অধিনিয়মিত কৰা হওক ঃ-

**সংক্ষিপ্ত নাম আৰু প্ৰাৰম্ভ।**

১। (১) এই অধিনিয়মখন বিবিধ স্বকীয় বিধি (বিস্তাৰ) অধিনিয়ম, ১৯৫৯ বুলি অভিহিত হব।

(২) এইখন কেন্দ্ৰীয় চৰকাৰে চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ দ্বাৰা নিৰ্দ্দিষ্ট কৰা এনে তাৰিখত বলবৎ হব।

**পৰিভাষা।**

২। এই অধিনিয়মত "নিৰ্দ্দিষ্ট দিন" মানে সেই তাৰিখ যি তাৰিখত এই অধিনিয়ম বলবৎ হয়।

**কেতবোৰ নিৰ্দ্দিষ্ট অধিনিয়মৰ বিস্তাৰ আৰু সংশোধন।**

৩। নিৰ্দ্দিষ্ট দিনত আৰু দিনৰ পৰা প্ৰথম অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা অধিনিয়মসমূহ তাত বিনিৰ্দ্দিষ্ট ধৰণে সংশোধিত অৱস্থাত থাকিব।

**নিৰসন আৰু ব্যাবৃত্তি।**

৪। (১) নিৰ্দ্দিষ্ট দিনত আৰু দিনৰ পৰা দ্বিতীয় অনুসূচীত বিনিৰ্দ্দিষ্ট কৰা অধিনিয়মিতিসমূহ আৰু প্ৰথম অনসূচীত বিনিৰ্দ্দিষ্ট কৰা অধিনিয়মৰ আন অনুৰূপ অধিনিয়মিতিসমূহ সেই দিনৰ অব্যৱহিত পূৰ্বত সেইবোৰ যথাক্ৰমে বিস্তৃত হোৱা ৰাজ্য ক্ষেত্ৰত, নিৰসিত অৱস্থাত থাকিব।

(২) উপধাৰা (১) ৰ একোৱেই --

(ক) তেনেদৰে নিৰসিত কোনো অধিনিয়মিতিৰ পূৰ্ব প্ৰবৰ্ত্তন বা তাৰ অধীনত যথাযথ ভাবে কৃত কোনো কাৰ্য্য বা কোনো ক্ষতি ; বা

(খ) তেনেদৰে নিৰসিত কোনো অধিনিয়মিতিৰ অধীনত অৰ্জিত, প্ৰোদ্ভূত বা উপগত হোৱা কোনো স্বত্ব, বিশেষাধিকাৰ, ৰাধ্যতা বা দায়িত্ব ; বা

(গ) তেনেদৰে নিৰসিত কোনো অধিনিয়মিতিৰ বিৰুদ্ধে কৰা কোনো অপৰাধ সম্পৰ্কে উপগত কোনো দণ্ড, বাজেয়াপ্ত, বা শাস্তি ; বা

(ঘ) পূৰ্বোক্ত এনে কোনো স্বত্ব, বিশেষাধিকাৰ, বাধ্যতা, দায়িত্ব, দণ্ড, বাজেয়াপ্ত, বা শাস্তি সম্পৰ্কে কোনো অনুসন্ধান, বিধিক কাৰ্য্যবাহী বা প্ৰতিকাৰ প্ৰভাবিত নকৰিব ; আৰু এনে অনুসন্ধান, বিধিক কাৰ্য্যবাহী বা প্ৰতিকাৰ ৰুজু কৰিব, চলাব বা বলবৎ কৰিব পাৰিব আৰু এনে দণ্ড, বাজেয়াপ্ত বা শাস্তি আৰোপ কৰিব পাৰিব যেনিবা এই অধিনিয়ম পাৰিত হোৱাই নাছিল ঃ

পৰন্তু এই অধিনিয়মিতিৰ অধীনত কৰা কোনো কাৰ্য্য বা গ্ৰহণ কৰা কোনো কাৰ্য্য ব্যৱস্থা এতিয়া সংশ্লিষ্ট ৰাজ্য ক্ষেত্ৰলৈ বিস্তৃত অধিনিয়মৰ অনুৰূপ উপবন্ধৰ অধীনত কৰা বা গ্ৰহণ কৰা বুলি গণ্য হব, আৰু উক্ত অধিনিয়মৰ অধীনত কৰা কোনো কাৰ্য্য বা গ্ৰহণ কৰা কাৰ্য্য ব্যৱস্থাৰ দ্বাৰা অধিক্ৰান্ত নোহোৱা পৰ্য্যন্ত তদনুসাৰে বলবৎ হৈ থাকিব ।

## অনুসূচী - I
( ধাৰা ৩ চাওক )

### ধৰ্মান্তৰীৰ বিবাহ-বিঘটন অধিনিয়ম, ১৮৬৬
( ১৮৬৬ ৰ ২১ )

ধাৰা ৩৫। -- "১৯৫৬ চনৰ ১ নবেম্বৰৰ অব্যবহিত পূৰ্বে খণ্ড 'খ' ৰাজ্যৰ অন্তৰ্ভুক্ত ৰাজ্যক্ষেত্ৰসমূহৰ বাহিৰে" ৰ বাবে "জম্মু আৰু কাশ্মীৰ ৰাজ্য আৰু মণিপুৰৰ সংঘ ৰাজ্যক্ষেত্ৰৰ বাহিৰে" প্ৰতিষ্ঠাপিত কৰিব ।

### আনন্দ বিবাহ অধিনিয়ম, ১৯০৯
( ১৯০৯ ৰ ৭ )

ধাৰা ১। -- উপধাৰা (২)ত থকা " ১৯৫৬ চনৰ ১ নবেম্বৰৰ অব্যবহিত পূৰ্বে খণ্ড 'খ' ৰাজ্যৰ অন্তৰ্ভুক্ত ৰাজ্যক্ষেত্ৰ সমূহৰ বাহিৰে" ৰ বাবে "জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে" প্ৰতিষ্ঠাপিত কৰিব ।

### হিন্দু সম্পত্তিৰ নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬
( ১৯১৬ ৰ ১৫ )

ধাৰা ১। -- উপধাৰা (২)ৰ ঠাইত --

"(২) ই জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে সমগ্ৰ ভাৰতত বিস্তৃত হব" প্ৰতিষ্ঠাপিত কৰিব ।

হিন্দু উত্তৰাধিকাৰ ( নির্যোগ্যতা অপসাৰণ ) অধিনিয়ম, ১৯২৮
( ১৯২৮ ৰ ১২ )

ধাৰা ১। -- উপধাৰা (২) ত থকা "১৯৫৬ চনৰ ১ নবেম্বৰৰ অব্যৱহিত পূর্বে খণ্ড 'খ' ৰাজ্যৰ অন্তৰ্ভুক্ত ৰাজ্যক্ষেত্ৰ সমূহৰ বাহিৰে" ৰ ঠাইত "জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে" প্রতিষ্ঠাপিত কৰিব।

ধাৰা ২ "উত্তৰাধিকাৰৰ পৰা বা" বাদ দিব।

হিন্দু বিদ্যাৰ্জনৰ লাভ অধিনিয়ম, ১৯৩০
( ১৯৩০ ৰ ৩০ )

ধাৰা ১। — উপধাৰা (২) ত থকা "১৯৫৬ চনৰ ১ নবেম্বৰৰ অব্যৱহিত পূর্বে 'খ' ৰাজ্যৰ অন্তৰ্ভুক্ত ৰাজ্যক্ষেত্ৰ সমূহৰ বাহিৰে" ৰ ঠাইত "জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে" প্রতিষ্ঠাপিত কৰিব।

মুছলিম স্বকীয় বিধি (ছেৰিয়ত) প্ৰয়োগ অধিনিয়ম, ১৯৩৭
( ১৯৩৭ ৰ ২৬ )

ধাৰা ১। — উপধাৰা (২) ত থকা "১৯৫৬ চনৰ ১ নবেম্বৰৰ অব্যৱহিত পূর্বে 'খ' ৰাজ্যৰ অন্তৰ্ভুক্ত ৰাজ্যক্ষেত্ৰ সমূহৰ বাহিৰে" ৰ ঠাইত "জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে" প্রতিষ্ঠাপিত কৰিব।

মুছলিম বিবাহ-বিঘটন অধিনিয়ম, ১৯৩৯
( ১৯৩৯ ৰ ৮ )

ধাৰা ১। — উপধাৰা (২) ত থকা "১৯৫৬ চনৰ ১ নবেম্বৰৰ অব্যৱহিত পূর্বে খণ্ড 'খ' ৰাজ্যৰ অন্তৰ্ভুক্ত ৰাজ্যক্ষেত্ৰ সমূহৰ বাহিৰে" ৰ ঠাইত "জম্মু আৰু কাশ্মীৰ ৰাজ্যৰ বাহিৰে" প্রতিষ্ঠাপিত কৰিব।

অনুসূচী ।।

[ ধাৰা ৪ (১) চাওঁক ]

হিন্দু হস্তান্তৰ আৰু ইচ্ছাপত্ৰ যোগে পোৱা সম্পত্তি (মাদ্রাজ মহানগৰ) অধিনিয়ম, ১৯২১ (১৯২১ ৰ ৮)।

হায়দৰাবাদ হিন্দু বিদ্যাৰ্জনৰ লাভ অধিনিয়ম, ১৩৪৪ এফ্ (১৩৪৪ এফৰ ৫ নং হায়দৰাবাদ অধিনিয়ম )।

হায়দৰাবাদ ( কেন্দ্ৰীয় অধিনিয়ম প্ৰয়োগ ) অধিনিয়ম, ১৯৫২ ( ১৯৫২ চনৰ ৪৮ নং হায়দৰাবাদ অধিনিয়ম ) যিমান দূৰ প্ৰথম অনুসূচীত বিনির্দ্দিষ্ট অধিনিয়মৰ সৈতে সম্বন্ধ থাকে।

অন্ধ্ৰ প্ৰদেশ ( বিধিৰ বিস্তাৰ ) অধিনিয়ম, ১৯৫৮ ( ১৯৫৮ চনৰ ২৩ নং অন্ধ্ৰ প্ৰদেশ অধিনিয়ম ) যিমান দূৰ হিন্দু বিদ্যাৰ্জনৰ লাভ অধিনিয়ম, ১৯৩০ ৰ সৈতে সম্বন্ধ থাকে।

সৌৰাষ্ট্ৰ ৰাজ্য ( কেন্দ্ৰীয় আৰু বোম্বাইৰ অধিনিয়মৰ প্ৰয়োগ ) অধ্যাদেশ, ১৯৪৮ ( ১৯৪৮ চনৰ ২৫ নং সৌৰাষ্ট্ৰ অধ্যাদেশ ) যিমান দূৰ ইয়াৰ ---

(ক) হিন্দু উত্তৰাধিকাৰ ( নিৰ্যোগ্যতা অপসাৰণ ) অধিনিয়ম, ১৯২৮ ( ১৯২৮ ৰ ১২ ), আৰু

(খ) হিন্দু বিদ্যাৰ্জনৰ লাভ অধিনিয়ম, ১৯৩০ ( ১৯৩০ ৰ ৩০ ) ৰ সৈতে সম্বন্ধ থাকে।

সৌৰাষ্ট্ৰ মুছলিম বিবাহ-বিঘটন অধিনিয়ম, ১৯৫২ ( ১৯৫২ চনৰ ২৬ নং সৌৰাষ্ট্ৰ অধিনিয়ম )।

ত্ৰিবাঙ্কুৰ মুছলিম উত্তৰবৰ্ত্তিতা অধিনিয়ম, ১১০৮ ( ১১০৮ ৰ ১১ )।

কোচিন মুছলিম উত্তৰবৰ্ত্তিতা অধিনিয়ম, ১১০৮ ( ১১০৮ ৰ ১৫ )।

ত্ৰিবাঙ্কুৰ হিন্দু উত্তৰাধিকাৰ ( নিৰ্যোগ্যতা অপসাৰণ ) অধিনিয়ম, ১১১৪ ( ১১১৪ ৰ ১৮ )।

ত্ৰিবাঙ্কুৰ হিন্দু বিদ্যাৰ্জনৰ লাভ অধিনিয়ম, ১১১৭ ( ১১১৭ ৰ ৩ )।

কোচিন মুছলিম বিবাহ-বিঘটন অধিনিয়ম, ১১২০ ( ১১২০ ৰ ২২ )।

মধ্য ভাৰত ( বিধিৰ অনুকূলন ) অধিনিয়ম, সম্বত ২০০৯ ( ১৯৫৩ ৰ ১ নং অধিনিয়ম ), যিমান দূৰ ই --

(ক) আনন্দ বিবাহ অধিনিয়ম, ১৯০৯ ( ১৯০৯ ৰ ৭ );

(খ) হিন্দু সম্পত্তি নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬ ( ১৯১৬ ৰ ১৫ ) ;

(গ) হিন্দু উত্তৰাধিকাৰ ( নিৰ্যোগ্যতা অপসাৰণ ) অধিনিয়ম, ১৯২৮ ( ১৯২৮ ৰ ১২ ) ;

(ঘ) হিন্দু বিদ্যাৰ্জনৰ লাভ অধিনিয়ম, ১৯৩০ (১৯৩০ ৰ ৩০) ; আৰু

(ঙ) মুছলিম স্বকীয় বিধি ( ছেৰিয়ত ) প্ৰয়োগ অধিনিয়ম, ১৯৩৭ ( ১৯৩৭ ৰ ২৬ ) ৰ সৈতে সম্বন্ধ ৰাখে ।

মধ্য ভাৰত মুছলিম বিবাহ-বিঘটন অধিনিয়ম, ১৯৫৬ (১৯৫৬ৰ ১৪) ।

মাদ্ৰাজ হিন্দু হস্তান্তৰ আৰু ইচ্ছাপত্ৰ যোগে পোৱা সম্পত্তি অধিনিয়ম, ১৯১৪ (১৯১৪ চনৰ ১ নং মাদ্ৰাজ অধিনিয়ম) ।

মহীশূৰ ধৰ্মান্তৰীৰ বিবাহ-বিঘটন অধিনিয়ম, ১৮৬৬ (১৮৬৬ চনৰ ২১ নং মহীশূৰ অধিনিয়ম) মহীশূৰলৈ বিস্তৃত হোৱা হিচাপে ।

মহীশূৰ হিন্দু বিধি (স্ত্ৰী স্বত্ব) অধিনিয়ম, ১৯৩৩ (১৯৩৩ চনৰ ১০ নং মহীশূৰ অধিনিয়ম) ৰ ধাৰা ৬ ।

মহীশূৰ হিন্দু উত্তৰাধিকাৰ (নিৰ্যোগ্যতা অপসাৰণ) অধিনিয়ম, ১৯৩৮ (১৯৩৮ চনৰ ৫ নং মহীশূৰ অধিনিয়ম) ।

মহীশূৰ মুছলিম বিবাহ-বিঘটন অধিনিয়ম, ১৯৪৩ (১৯৪৩ চনৰ ৪৩ নং মহীশূৰ অধিনিয়ম) ।

ৰাজস্থানৰ যুক্তৰাজ্য মুছলিম স্বকীয় বিধি ( ছেৰিয়ত ) প্ৰয়োগ অধ্যাদেশ, ১৯৪৯ ( ১৯৪৯ ৰ ১৪ ) ।

ৰাজস্থান (কেন্দ্ৰীয় বিধিৰ অনুকূলন) অধ্যাদেশ, ১৯৫০ (১৯৫০ ৰ ৪) যিমান দূৰ ই —

(ক) আনন্দ বিবাহ অধিনিয়ম, ১৯০৯ ( ১৯০৯ ৰ ৭ ) ;

(খ) হিন্দু সম্পত্তিৰ নিষ্পত্তিকৰণ অধিনিয়ম, ১৯১৬ (১৯১৬ ৰ ১৫ ) ;

(গ) হিন্দু উত্তৰাধিকাৰ ( নিৰ্যোগ্যতা অপসাৰণ ) অধিনিয়ম, ১৯২৮ ( ১৯২৮ ৰ ১২ ) ;

(ঘ) হিন্দু বিদ্যাৰ্জনৰ লাভ অধিনিয়ম, ১৯৩০ (১৯৩০ ৰ ৩০) ; আৰু

(ঙ) মুছলিম বিবাহ-বিঘটন অধিনিয়ম, ১৯৩৯ (১৯৩৯ ৰ ৮) ৰ সৈতে সম্বন্ধ ৰাখে ।